**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-03-2025 **Time :** 0755 Hrs.

## <u>Assamese Morning Bulletin</u>

ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত তিৱা ভাষাক পঞ্চম শ্ৰেণী পৰ্যন্ত বিদ্যালয়ত শিকোৱাৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আশ্বাস দিছে। তিৱা সাহিত্য সভাৰ মৰিগাঁৱৰ ঔজাৰিৰ অধিৱেশনত উপস্থিত থাকি মুখ্যমন্ত্ৰীয়ে কালি এই আশ্বাস দিয়ে। তিৱা সাহিত্য সভাক তিৱা জনগোষ্ঠীৰ এখন বুৰঞ্জী প্ৰণয়ন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। এই বুৰঞ্জী প্ৰণয়নৰ ব্যয় চৰকাৰে বহন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিছে।

তিৱা ৰজা জোঙালবলহুৰ বীৰত্বৰ গাঁথা আৰু জনগোষ্ঠীটোৰ চহকী ঐতিহ্য তথা লোককৃষ্টিৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে তিৱা জনগোষ্ঠীয় নৃত্যক বৃহৎ পৰিসৰত গুৱাহাটীত পৰিৱেশন কৰোৱাৰ ব্যৱস্থা কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। তদুপৰি জনগোষ্ঠীটোৰ লোকসকলৰ সৰ্বাত্মক উন্নয়ন আৰু তেওঁলোকৰ চহকী ঐতিহ্য সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে পদক্ষেপ লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই কালি যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত ডিমৌ মধুপুৰত টাই সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ এটা গৃহৰ আধাৰশিলা স্থাপন কৰে। এই গৃহটো নিৰ্মাণৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সাংসদ পুঁজিৰ পৰা ৫০ লাখ টকাৰ অনুদান আগবঢ়াইছে। শ্ৰী মাৰ্ঘেৰিটাই কালি ডিমৌৰ টেঙাপানী বলিয়াবাবা থানৰ নৱনিৰ্মিত গৃহটো উদ্বোধন কৰে। এই উপলক্ষে এখন জনসভাত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে যোৰহাট লোকসভা সমষ্টিৰ প্ৰতিটো প্ৰান্তৰ উন্নয়নৰ বাবে তেওঁ ব্যক্তিগতভাৱে দায়িত্ব গ্ৰহণ কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। সমষ্টিটোৰ অধীনৰ প্ৰতিটো বিধানসভা সমষ্টিৰ উন্নয়নৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ প্ৰতিনিধি হিচাপে তেওঁ চেষ্টা চলাব বুলিও অনুষ্ঠানত ঘোষণা কৰে।

০০০০০০

অসম চাহ মজদুৰ সংঘ আৰু কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগ বিভাগৰ তত্বাৱধানত পৰিচালিত এণ্ড্ৰইউল কোম্পানীৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হৈছে। এই চুক্তি অনুসৰি কোম্পানীটোৱে ইয়াৰ অধীনত পৰিচালিত ১০ খন চাহ বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীসকলৰ দীৰ্ঘদিনে অনাদায় হৈ থকা সকলো প্ৰাপ্য ১০ এপ্ৰিলৰ পূৰ্বে আদায় দিব। কোম্পানীটোৰ অসমত থকা ১০ খন চাহ বাগিচা - খোৱাং, ৰাজগড়, টিংখাং, বগীজানকে ধৰি বাগিচাসমূহৰ শ্ৰমিকসকলে তেওঁলোকৰ দাবীসমূহ ১০ মাৰ্চৰ পূৰ্বে আদায় দিয়াৰ বাবে আহ্বান জনাইছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগৰ অতিৰিক্ত মুখ্য সচিবৰ তৎপৰতাত কোম্পানীটোৰ মুখ্য কাৰ্যবাহী সঞ্চালক, মহা প্ৰৱন্ধককে ধৰি শীৰ্ষ বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত জৰুৰী সভাত এই বিষয়ে সিদ্ধান্ত লোৱা হয়। এই অনুসৰি ১০ এপ্ৰিলৰ ভিতৰত শ্ৰমিকসকলৰ বাকী থকা বোনাচ, বছৰেকীয়া ছুটীৰ মজুৰি, দৰমহা, ৰেচন আদি আদায় দিয়া হ'ব বুলি কোম্পানীটোৰ বিষয়াই চুক্তিপত্ৰত স্বাক্ষৰ কৰে।

০০০০০০০

তিনিচুকীয়া নগৰৰ পাৰ্শ্বৱৰ্তী অঞ্চলত বান আৰু খহনীয়া ৰোধৰ বাবে শেহতীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অঞ্চলটোৰ ৬ কিলোমিটাৰ স্থানত খহনীয়া প্ৰতিৰোধৰ বাবে বিধায়ক পোনাকণ বৰুৱাই উদ্যোগ লৈছে। তিনিচুকীয়া জিলাৰ খামতি, গোৱালী, ৰঙাগড়া চাহ বাগিচা, গুইজান, নতুন গাঁও, বাঘজান আদি অঞ্চলত দীৰ্ঘদিন ধৰি ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহে খহনীয়াৰ সৃষ্টি কৰি আহিছে। এই অঞ্চলসমূহৰ নদী কাষৰীয়া লোকসকলক সুৰক্ষিত কৰাৰ বাবে জিঅ' বেগৰ কাম আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হৈছে বুলি বিধায়কগৰাকীয়ে প্ৰকাশ কৰিছে। এ ডি বিৰ সহযোগত ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগে মুঠ ৩৭ কোটি টকা ব্যয়ৰে অঞ্চলটোত পৰ্যায়ক্ৰমে কাম সম্পন্ন কৰিব।

০০০০০০০

অৰুণাচল প্ৰদেশৰ দিবাংভেলী জিলাৰ ভাৰত-চীন সীমান্তৱৰ্তী আনিনিক ল'ৱাৰ দিবাং ভেলী জিলাৰ ৰয়িঙৰ লগত দেশৰ অন্য প্ৰান্তৰ সৈতে সংযোগ স্থাপন কৰা ৩১৩ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কেইবাটাও স্থানত ভূমিস্খলনৰ ফলত যাতায়াত ব্যাহত হৈছে। যোৱা দুসপ্তাহ ধৰি এই পথছোৱাৰ একাধিক স্থানত ব্যাপক ভূমিস্খলন হোৱাৰ ফলত এই পথেৰে যাতায়াত কৰা লোকসকল আবদ্ধ হৈ পৰিবলগীয়া হৈছে। অৱশ্যে ভূমি স্খলনৰ ফলত কোনো লোক হতাহত হোৱা নাই।

০০০০০০০

লোক সংগীতৰ বিশিষ্ট শিল্পী খগেন গগৈলৈ চলিত বৰ্ষৰ অই আপ্লুন গণেশ পেগু সোঁৱৰণী বঁটা আগবঢ়োৱা হৈছে। গোগামুখ আঞ্চলিক ছাত্ৰ সন্থাই শিল্পীগৰাকীলৈ এই বঁটা আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। অহা ১০ আৰু ১১ মে'ত গোগামুখত হ'বলগীয়া ব'হাগী বিদায় উৎসৱক শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰা হ'ব। প্ৰতিবছৰে গণেশ পেগুৰ সোঁৱৰণত গোগামুখ আঞ্চলিক ছাত্ৰ সন্থাই  এই বঁটা প্ৰদান কৰি আহিছে।

০০০০০০০

তিনিচুকীয়াৰ বৰদলৈ নগৰত থকা জ্যেষ্ঠ নাগৰিকৰ এটা আৱাসগৃহত কালি অষ্টম শ্ৰেণীৰ ৰুহিকা শইকীয়া নামৰ এগৰাকী ছাত্ৰীৰ কবিতা আৰু চিত্ৰাংকনৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়। **ৰুহিকাজ মজাইক ৱান** নামৰ গ্ৰন্থখন লেখিকা অলকানন্দ শ্ৰী কুমাৰী কাকতিয়ে উন্মোচন কৰে।

০০০০০০

শিৱসাগৰৰ তলাতল ঘৰ প্ৰাংগণত কালিৰ পৰা ভলীবলৰ প্ৰশিক্ষণ আৰম্ভ হৈছে। অকণ বৰুৱা সোঁৱৰণী ন্যাসৰ উদ্যোগত আয়োজন কৰা এই প্ৰশিক্ষণ অসম অলিম্পিক সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য শৰৎ হাজৰিকাই শুভাৰম্ভ কৰে। এই প্ৰশিক্ষণত ৫০ৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০

**সমাপ্ত**